গণ অধিকাৰ

তেজপুৰৰ আঞ্চলিক মানসিক প্ৰতিষ্ঠানত বিশেষ কাৰ্যসূচী

ষ্টাফ ৰিপৰ্টাৰ, তেজপুৰ, ১৪ নৱেম্বৰ ঃ ইংৰাজৰ আমোলত ১৮৭৬ত তেজুৰত স্থাপিত মানসিক স্বাস্থ্য প্ৰতিষ্ঠানে প্ৰতিষ্ঠা কালৰ পৰা একাধিক ব্যৱস্থাৰে আগবাঢ়ি ২০০৭ত কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ এক প্ৰতিষ্ঠান হিচাপে বৰ্তমান পৰিচিত হৈ পৰিছে।ইতিমধ্যে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান শৈক্ষিক তথা গৱেষণাৰ ক্ষেত্ৰত দেশৰ এক অগ্ৰণী প্ৰতিষ্ঠান।ইতিমধ্যে এই প্ৰতিষ্ঠানে গৌৰৱোজ্বল ১৫০ বছৰ সম্পূৰ্ণ কৰিছে যদিও এই ঐতিহাসিক ক্ষণ সেই সময়ত বিভিন্ন নিয়মৰ বাবে বিশেষ ভাবে উদ্‌যাপন কৰিব পৰা হোৱা নাছিল। কিন্তু বৰ্তমান দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম মানসিক স্বাস্থ্য প্ৰতিষ্ঠান লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানে এই উপলক্ষে চলিত বৰ্ষত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছে। ইয়াৰে অংশ হিচাপে আজি আৰু কাইলৈ দুয়োটা দিনত উত্তৰ-পূব ভাৰতৰ স্বাস্থ্য সেৱা পেছাদাৰীসকলৰ বাবে সামগ্ৰিক মানসিক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দক্ষতা বৃদ্ধি শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজিৰ কাৰ্যসূচীত স্থানীয় বিধায়ক পৃথ্বীৰাজ ৰাভাই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে।

“শৈশৱতে ধেমালিতে”



-ঃ কল্পনা দত্ত ঃ-

নুনমাটি, গুৱাহাটী, মো ঃ ৯৩৬৫৪৩৪৮০০

মানুহৰ জীৱনৰ আটাইতকৈ নির্ভেজাল আৰু সোণালী সময়ছোৱাই হৈছে শৈশৱ, য'ত কোনো কৃত্রিমতা নাথাকে, থাকে কেৱল নিঃস্বার্থ সঁচা হাঁহি। চিন্তা-ভাৱনাহীন সেই দিনবোৰৰ আটাইতকৈ ডাঙৰ আশ্রয় আছিল খেল-ধেমালি। ধেমালিৰ মাজেৰেই এটি শিশুৱে জীৱনৰ প্রথম খোজ পেলায়।

আমাৰ সমাজত পুৰণি কালৰে পৰা চলি অহা এফাঁকি মুখৰোচক প্রবাদ- “শৈশৱত ধেমালি, যৌৱনত কর্ম, বার্ধক্যত ধর্ম”- ই কেৱল এটা প্রবাদেই নহয়, ইয়াৰ আঁৰত লুকাই আছে মানৱ জীৱনৰ এক গভীৰ সত্য। শিশু অৱস্থাত খেল-ধেমালি কৰাটো কেৱল মনোৰঞ্জন নহয়, ই মন আৰু প্রাণৰ সর্বাংগীণ বিকাশৰ ক্ষেত্রত এক স্বাভাৱিক প্রক্রিয়া বহন কৰে।

আমাৰ শৈশৱৰ সেই দিনবোৰৰ ধেমালিবোৰৰ মাজত এটা অন্যধৰণৰ মাটিৰ সুবাস আছিল। পথাৰৰ বোকা-পানী, চোতালৰ ধূলি-বালি আৰু গছৰ ছাঁবোৰেই আছিল আমাৰ খেলাঘৰ। দুপৰীয়া ভৰ ৰ'দকো নেওচি ঘৰৰ পৰিয়ালৰ পৰা মনে মনে গৈ লগৰীয়াৰ সৈতে আম গছৰ তলত গোট খাই খেলা ঘিলা খেল, কণি-যুঁজ, চোতালত বহি কঁঠাল পাত কাঠিৰে গুঁজি টুপী সজা, কাবাদী, লুকা-ভাকু, ডাংগুটি খেলৰ মাজত যি অকৃত্রিম আনন্দ আছিল সেই আনন্দ শিশুৱে উপভোগ কৰিব পৰা নাই। বাঁহৰ আগলি কাটি ধেনু-কাঁড় সজোৱো, তামোল গছৰ ঢোকোৱা পাতেৰে গাড়ী চলোৱা, বৰষুণৰ পানীত কাগজৰ নাও উটুৱাই দিয়াৰ যি শিহৰণ, সেইয়া আছিল একো একোটা সৰগীয় অনুভৱ। এই খেলবোৰৰ বাবে কোনো কৃটিম বস্তুৰ প্রয়োজন নাছিল। কেৱল মুকলি আকাশ আৰু লগৰীয়া কেইজনমান হ'লেই সৃষ্টি হৈছিল একো একোটা উৎসৱ মুখৰ পৰিৱেশ। এই থলুৱা খেলবোৰে আমাৰ বুকুত অলক্ষিতে সিঁচি দিছিল মিলাপ্রীতি, সহনশীলতা, একতা আৰু বন্ধুত্বৰ গভীৰ বীজ।

কিন্তু সময়ৰ চকৰি ঘূৰিল। বর্তমানৰ এই যান্ত্রিক যুগত শৈশৱৰ সেই মুকলি হাঁহি আৰু ধেমালিবোৰ যেন ক'ৰবাত হেৰাই গ'ল। আজিৰ শিশুসকল চাৰিবেৰৰ মাজত আবদ্ধ। চোতাল বা খেলপথাৰৰ স্থান লৈছে ভার্চুৱেল জগতখনে। পথাৰৰ বোকা পানী প্রকৃতিৰ নির্মল বতাহজাকৰ সলনি তেওঁলোক এতিয়া আৱদ্ধ হৈ পৰিছে ম'বাইল স্ক্রীণৰ এক সম্মোহনী মায়াজালত। আমাৰ এই পৃথিৱীখনত এচাম এনেকুৱা শিশু আছে দিনটোৰ সৰহভাগ সময় ছচিয়েল মিডিয়াৰ ৰিলছ, চুটি ভিডিঅ' আৰু পাবজি বা ফ্রী ফায়াৰৰ দৰে অলাগতিয়াল অনলাইন গেমৰ মাজত বুৰ গৈ তেওঁলোকে নিজৰ স্বাভাৱিক শৈশৱটো হেৰুৱাই পেলাইছে। ম'বাইলৰ এই নিচায় শিশুসকলক অকলশৰীয়া, খণ্ডাল আৰু সমাজবিচ্ছিন্ন কৰি তুলিছে।

কংক্রিটৰ চহৰীকৰণে গ্রাস কৰি পেলাইছে বহু শৈশৱৰ প্রিয় খেলবোৰ। ফলস্বৰূপে, আজিৰ প্রজন্ম শাৰীৰিক সক্রিয়তা আৰু মানসিক প্রশান্তিৰ পৰা বঞ্চিত হৈ এক গভীৰ শূন্যতাৰ পিনে গতি কৰিছে।

খেল-ধেমালিয়ে শিশুৰ শৰীৰটো সতেজ কৰাৰ লগতে মনৰ সকলো অবসাদ দূৰ কৰে। লগৰীয়াৰ সৈতে খেলিবলৈ যাওঁতে হোৱা সৰু-সুৱা কাজিয়া আৰু পিছমুহূর্ততে হোৱা মিলনে শিশুক ক্ষমা কৰিবলৈ আৰু সমাজপ্রিয় হ'বলৈ শিকায়। শৈশৱৰ ধেমালি এতিয়া যেন ক'ৰবাত হেৰাই গ'ল, ঠিক শুকান মৰুভূমিৰ দৰে।

সেয়েহে, সময় থাকোঁতেই আমি সকলোৱে সচেতন হোৱাটো প্রয়োজন। অভিভাৱক আৰু সমাজখনে শিশুসকলক কেৱল ম'বাইলৰ নিচাত বা যান্ত্রিক পঢ়া-শুনাত আবদ্ধ নাৰাখি দিনটোৰ কিছু সময় মুকলি বতাহত খেলিবলৈ এৰি দিব লাগে। ধেমালিৰ মাজেৰেহে শিশু এটিৰ অন্তর্নিহিত প্রতিভা আৰু মানসিক ক্ষমতাৰ পূর্ণ বিকাশ ঘটে। শৈশৱৰ এই ধেমালিবোৰ ধৰি ৰাখিব নোৱাৰিলে ভৱিষ্যতে আমি এটা আৱেগহীন আৰু যান্ত্রিক প্রজন্ম লাভ কৰিম। আহক, আমি সকলোৱে মিলি আমাৰ সন্তানসকলক তেওঁলোকৰ হেৰাই যাব খোজা সঁচা শৈশৱটো ঘূৰাই দিওঁ।

নপামত শিশু দিৱস উদযাপন



বিশেষ প্রতিবেদক, তেজপুৰ ঃ ভাৰতৰ প্রথম প্রধান মন্ত্রী জৱাহৰলাল নেহৰুৰ জন্ম দিনটো সমগ্র দেশতে শিশু দিৱস হিচাপে উদযাপন কৰে। শনিবাৰে নপাম মজলীয়া বিদ্যালয়ত নপাম আই টি চি আৰু চিন্তা মঞ্চৰ সহযোগত নেহৰু খুড়াৰ জন্ম দিন যথাযথ সন্মান সহকাৰে পালন কৰা হয়। প্রথমতে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্রতিচ্ছবিত বন্তি প্রজ্বলন আৰু পুষ্প নিবেদন কৰি শিশু দিৱস উপলক্ষে ছাত্র -ছাত্রীৰ মাজত চিত্রাংকন, কুইজ আৰু কবিতা পাঠৰ অনুষ্ঠান আৰম্ভ কৰা হয়। চিত্রাংকনত ৰাহান আলী আৰু আৰিফুল ইছলাম। কুইজত দল হিচাপে ফৰিদ সেখ, জিয়াবুৰ ৰহমান, জাহাংগিৰ আলম আৰু কবিতা পাঠত ৰাচিদা খাতুনে পুৰস্কাৰ লাভ কৰে। কলম আৰু প্রমাণ পত্রেৰে পুৰস্কৃত কৰা অনুষ্ঠানত চিন্তা মঞ্চৰ সভাপতি মনবাহাদুৰ চুৰ্ৱা, আই টি চিৰ সঞ্চালক মাহ্বুবুল আনছাৰী, নপাম মজলীয়া বিদ্যালয়ৰ প্রধান শিক্ষয়িত্রী পূৰবী বিশ্বাস উপস্থিত থাকি ছাত্র -ছাত্রী সকলক উৎসাহিত কৰে। অনুষ্ঠানত বিশেষ ভূমিকা পালন কৰে নাগৰিচ চৌধুৰী, ৰিম্পী দাস আৰু ৰাকিবুল ইছলামে।

NILUFAR RAFIQUE: A TRIBUTE



Nilufar Rafique, Advocate of the Guwahati High Court, former lecturer at BRM Law College, and an activist for legal aid and mediation programmes, passed away suddenly on 30th September 2026 at the age of 58, due to a sudden ailment.

Born on 31st January 1968 in Guwahati, she received her early education at St. Mary's School, Guwahati, and completed her HSLC examination in 1985. She then completed her HSSLC at Handique Girls' College. She graduated with Honours in English and completed her LLB at Aligarh Muslim University during the 1988-1993 session, and subsequently obtained her LLM degree from Gauhati University.

She enrolled as an advocate with the Bar Council of Assam, Nagaland, Meghalaya, Manipur, Tripura, Mizoram and Arunachal Pradesh in 1994, and became a member of the Guwahati Bar Association on 6th December 1994. She also served as a lecturer at BRM Law College, contributing to legal education and the academic development of aspiring legal professionals.

As an advocate, she always championed expanding legal aid for the underprivileged. She organised legal awareness camps across Assam to raise awareness among common people about their legal protections, Fundamental Rights, and their duties towards the state. She was also an active advocate of mediation, particularly in family matters, to expedite the delivery of justice.

During her college and university days, she was an accomplished debater and participated in numerous seminars on legal issues. As a member of the Guwahati High Court Bar Association, she was closely associated with all the activities of the High Court, was cordial with every member, and was very helpful to everyone. Her submission to court was lucid, to the point and precise.

The Association has lost an honest, sincere, and dedicated member. Her demise is a profound loss not only to the Guwahati High Court Bar Association but also to the legal fraternity at large. Her professional contribution and association with the Bar will be remembered with deep respect, and the void created by her passing will be difficult to fill.

She survived by her husband, son, and daughter. Her death was widely mourned by several organisations, including the Guwahati High Court and the High Court Bar Association.

On the occasion of the Chalisa, I pray for the peaceful rest of her soul.

Subhash Chandra Biswas

কঁহৰাৰ ৰঙাজানৰ ভয়ংকৰ দুর্ঘটনাত পোহৰলৈ..

১ *পৃষ্ঠাৰ পৰা..*হেৰুৱাই। আনহাতে আহতসকলক ততাতৈয়াকৈ প্রথমে কঁহৰা আদর্শ চিকিৎসালয় আৰু বোকাখাত অসামৰিক চিকিৎসালয়ত ভর্তি কৰোৱা হয়। একেদৰে কেইবাজনকো যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্রেৰণ কৰা হয়। কিন্তু সময় বাগৰাৰ লগে লগে মৃতকৰ সংখ্যা বৃদ্ধি পাই বর্তমানলৈকে ২৬ গৰাকী লোকৰ মৃত্যুৰ খবৰ লাভ কৰা হৈছে।

এই শোকাবহ দুর্ঘটনাত আহত প্রায় ১২জন লোকক যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভর্তি কৰোৱা হৈছে। জেএমচিএইচত চিকিৎসাধীন যাত্রীয়ে সংবাদ মাধ্যমৰ আগত দুর্ঘটনাৰ ভয়ংকৰ বিৱৰণী দিয়ে। তেওঁলোকে জনোৱা অনুসৰি মৃত্যুদূতৰূপী ট্রেভেলাখনত আসন ক্ষমতাতকৈ অধিক যাত্রী কঢ়িয়াই আনিছিল। ইফালে বাহনখনে তীব্রবেগত অহাৰ ফলতে নিয়ন্ত্রণ হেৰুৱাই বিপৰীত দিশৰ পৰা আহি থকা কণ্টেইনাৰ ট্রাকত খুন্দা মাৰে। ট্রেভেলাৰখনৰ যাত্রীসকলৰ ভিতৰত অধিকাংশই ছাত্রী আছিল। ঠিয় হৈ অহা যাত্রীসকলৰ ভিতৰত যিসকল আহত হৈছে তেওঁলোকৰ অৱস্থা সংকটজনক বুলি দুগৰাকী যাত্রীয়ে সদৰী কৰে। আঘাতপ্রাপ্ত এগৰাকী যাত্রীয়ে কয়, “আমি বহি আহিছিলোঁ, টোপনি গৈছিল। যিসকল ছাত্রী আহিছিল তেওঁলোক ঠিয় হৈ আহিছিল। ৭০-৮০ কিঃমিঃ বেগত ট্রেভেলাৰখন আহিছিল। প্রায় ৫০-৬০ গৰাকী যাত্রী আছিল। ৩৫ গৰাকী ছাত্রী আছিল।”

কাজিৰঙাৰ ৰঙাজানৰ দুর্ঘটনাৰ সন্দর্ভত সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই গভীৰ শোক প্রকাশ কৰে। শনিবাৰে ঘটনাস্থলীলৈ যাব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, “দুর্ঘটনাত বর্তমানলৈকে ২৪জন লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। দুর্ঘটনাস্থলীলৈ মন্ত্রী ৰণোজ পেগু গৈছে। মই কালিলৈ (শনিবাৰ) কঁহৰালৈ যাম। অতি দুখজনক ঘটনা।”

এই শোকাবহ ঘটনাৰ খবৰ পোৱা মাত্রকে দেশৰ ৰাষ্ট্রপতি, প্রধানমন্ত্রীকে আদিকৰি সকলোৱে শোক প্রকাশ কৰিছে। ভাৰতৰ ৰাষ্ট্রপতি কার্যালয়ে এক্সযোগে শোক প্রকাশ কৰি তেওঁ এই ঘটনাক শিহৰণকাৰী পথ দুর্ঘটনাক হৃদয়বিদাৰক বুলি অভিহিত কৰে। শোকসন্তপ্ত পৰিয়ালবর্গলৈ মই সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। ইফালে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে এই ঘটনাত গভীৰ শোক প্রকাশ কৰাৰ লগতে প্রধানমন্ত্রী কার্যালয়ে এক বিশেষ ঘোষণা কৰে। প্রধানমন্ত্রী কার্যালয়ে এক্সযোগে শোকসন্তপ্ত পৰিয়ালবর্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে প্রধানমন্ত্রীৰ ৰাষ্ট্রীয় সাহায্য পুঁজিৰ পৰা প্রতিগৰাকী মৃতকৰ নিকটাত্মীয়ক চ লাখ টকাকৈ আৰু আহতসকলক ৫০,০০০ টকাকৈ প্রদান কৰাৰ কথা ঘোষণা কৰে। একেদৰে উপ-ৰাষ্ট্রপতি চিপি ৰাধাকৃষ্ণণ, গৃহমন্ত্রী অমিত শ্বাহ, কেন্দ্রীয় প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিং, উত্তৰ প্রদেশৰ মুখ্যমন্ত্রী যোগী আদ্যিত নাথ, কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱাল, কংগ্রেছৰ ৰাষ্ট্রীয় সভাপতি মল্লিকার্জুন খার্গে, কংগ্রেছ নেত্রী প্রিয়ংকা গান্ধীকে আদি কৰি প্রায় সংখ্যক ৰাজনৈতিক নেতাই এই ঘটনাক লৈ শোক প্রকাশ কৰে।

জানিব পৰা মতে, AS 02 AC 6690 ট্রেভেলাৰখনে তীব্র গতিত চলোৱাৰ বাবে কেইবাবোৰ জৰিমনা ভৰিব লগীয়া হৈছিল। ইয়াৰ পূর্বে ১০২ কিঃমি গতিবেগত বাহন চলোৱাৰ বাবে জৰিমনা ভৰিছিল ট্রেভেলাৰখনৰ চালকে। নগাঁৱৰ ইটাচালিৰ আনজিৰ আলী নামত ট্রেভেলাৰখন পঞ্জীয়ন কৰা হৈছিল। তিনি মার্চত যোৰহাটত চাৰি হাজাৰ জৰিমনা ভৰিছিল ট্রেভেলাৰখনৰ চালকে। দুর্ঘটনাৰ সময়ত প্রায় প্রতিঘণ্টাত ৬০ কিঃমি গতিবেগত বাহন চলাইছিল।

ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে সক্রিয় হৈ পৰিছে সদৌ অসম ছাত্র সস্থাকে আদি কৰি বিভিন্ন দল-সংগঠন। তৎপৰতাৰে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছে আছুৱে। কাজিৰঙাত ভয়ংকৰ দুর্ঘটনাত আহতসকলক আছু আৰু অসম সেনাই তেজ যোগান ধৰিব বুলি উল্লেখ কৰে। সামাজিক মাধ্যমযোগে আছুৰ সভাপতি উৎপল শর্মাই এই কথা ঘোষণা কৰিছে। লগতে যোগাযোগৰ নম্বৰো মুকলি কৰি দিয়ে।

বর্তমান সময়ত আহতসকলৰ তথ্য প্রকাশ পাইছে। গুৰুতৰভাৱে আঘাতপ্রাপ্ত সকলৰ ভিতৰত নগাঁৱৰ জখলাবন্ধাৰ ফাৰহানা ইয়াছমিন, কাজিৰঙা হাৰমতিৰ হাফিজা খাতুন, সৰু অভয়াপুৰীয়াৰ ৰঞ্জিত সোণম, নগাঁও আমনিৰ ৰাহুল কালান্দী, কাজিৰঙাৰ জীৱন গোৱালা, আমনিৰ অঞ্জলি গড়, কহৰাৰ বিউতি গড়, শিৱসাগৰৰ মুস্তাকীৰ হুছেইন, ৰঙামাটিৰ শিৱ প্রসাদ, নগাঁৱৰ সান্তনা হোজাই, মেথনী চাহ বাগিচাৰ সবিতা সোণাৰি, আৰু দীপেন শইকীয়াক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্রেৰণ কৰে।

আনহাতে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে অনা মৃত্যু হোৱা লোকসকলৰ নাম ক্রমে দীপাঞ্জলী ৰংফার্পি কার্বি আংলং, ৰঞ্জিতা কাতোৱাৰ গোলাঘাট জিলাৰ উল্টাজান, হয়জুল ইছলাম নগাঁও জিলাৰ চামগুৰি, ৰছিদ আলি নগাঁও জিলাৰ কুঠৰী, মহম্মদ ৰফিক বর্হি ৰাজ্য বিহাৰ, বেবী কর্মকাৰ বোকাখাত আৰক্ষী থানাৰ অন্তর্গত, দামিনী গোৱালা কুঠুৰী চাহ বাগিচা, বুলি চিনাক্ত কৰা হৈছে।

সমগ্র ঘটনাৰ প্রত্যক্ষ দর্শী মন্ত্রী অতুল বৰাই এই সন্দর্ভত কয়, “অত্যন্ত দুখজনক ঘটনা সংঘটিত হৈছে। ট্রেভেলাৰ বাহনখন তীব্র বেগেৰে গৈ আছিল। মই গুৱাহাটীৰ পৰা আহি থাকোঁতে এই দুর্ঘটনা প্রত্যক্ষ কৰি তাত ৰৈ স্থানীয় ৰাইজ আৰু আৰক্ষীৰ দল উপস্থিতিত সকলোৱে আহতসকলক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্রেৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ।”

তেওঁ কয়, “দুর্ঘটনা ইমানেই ভয়ংকৰ আছিল যে সকলো যাত্রী দুর্ঘটনাৰ ফলত বাহনখনৰ সন্মুখত গুচি গৈছিল যাৰ বাবে তেওঁলোকক উলিয়াবলৈ যথেষ্ট কষ্ট হৈছিল। এই সম্পর্কে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ সৈতে আলোচনা কৰা হৈছে আৰু মৃত্যু হোৱা সকলোৱে মৰোনোত্তৰ পৰীক্ষা আজি গোলাঘাটত সম্পন্ন কৰা হ'ব। এই দুর্ঘটনাত এগৰাকী কিশোৰৰ পিতৃ মাতৃৰ সন্ধান পোৱা নাই গতিকে অতি সোনকালে তাৰ বাবে ব্যৱস্থা গ্রহণ কৰা হ'ব।”



লোকপ্রিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্রতিষ্ঠান উন্নয়নৰ দিশত আলোচনা চক্র উন্মোচনৰ বন্তি প্রজ্বলন বিধায়ক পৃথ্বীৰাজ ৰাভাদ্বাৰা।

কাপুৰুষ

৪ *পৃষ্ঠাৰ পৰা..* শিহৰিত হৈ উঠিল। এই লেঙেৰী ছোৱালীজনীয়ে স্কুলৰ দৌৰ প্রতিযোগিতাত ভাগ লৈছে! জীয়েকক প্রশংসা কৰিবলৈ আৰু উছাহ দিবলৈ তেওঁৰ মন গ'ল। কিন্তু লেঙেৰী জীয়েকক তেওঁ কি বুলি উছাহ দিব সেই কথা ভাবি উলিয়াবলৈ তেওঁৰ যথেষ্ট সময় লাগিল। কিন্তু তেওঁ মুখ মেলিবলৈ পোৱাৰ আগতেই ছাৰাই মাত লগালে — “দেউতা, মই প্রতিযোগিতাত জয়ী হৈ দুটা পুৰস্কাৰ পালোঁ।”

জীয়েকৰ কথা শুনি দেউতাকৰ মুখৰ মাত হেৰাল। তেওঁৰ আলসুৱা লেঙেৰী ছোৱালীজনীয়ে দৌৰ প্রতিযোগিতাত যোগ দিছে? কেৱল যোগ দিয়াই নহয়, তাই দুটাকৈ পুৰস্কাৰো পাইছে? বিস্ময়ত তেওঁ তধা লাগিল। কিন্তু কেইমুহূর্তমানৰ পিছতে তেওঁৰ মনলৈ এটা নতুন ভাব আহিল: লেঙেৰী ছোৱালীজনীৰ প্রতি সহানুভূতিশীল হৈ শিক্ষকসকলে নিশ্চয় তাইক কিছু বিশেষ সুবিধা দিছে? কিন্তু তেওঁ সেই কথা ক'বলৈ মুখ মেলাৰ আগতেই ছাৰাই দেউতাকৰ মনৰ ভাব অনুমান কৰি ক'লে, “দেউতা, শিক্ষকসকলে মোক কিন্তু আনবোৰতকৈ কিছু আগলৈ গৈ দৌৰিবলৈ সুবিধা দিয়া নাছিল।”

“তেন্তে”

ছাৰাই ক'লে, “দেউতা যিহেতু মই লেঙেৰা, যিহেতু মই আনৰ সৈতে সমান বেগেৰে দৌৰিব নোৱাৰো কাৰণে সিহঁতক পিছ পেলাবলৈ সিহঁততকৈ বেছি কষ্ট কৰিবলগীয়া হৈছিল, শৰীৰৰ বলৰ অভাৰ পূৰাবলৈ মই মনৰ বল বেছিকৈ খটু�ৰাবলগা হৈছিল।”

যুদ্ধৰ আগমুহূর্তত অর্জুনৰ অৱস্থাও ছাৰাৰ দেউতাকৰ দৰে হৈছিল। অর্জুনে যেনেকৈ পার্থিৱ জগতত গুৰুত্ব দি আধ্যাত্মিক শক্তিক অর্থাৎ মনৰ শক্তিক উপলব্ধি কৰিব পৰা নাছিল, ঠিক তেনেকৈ ছাৰাৰ দেউতাকেও নিজ কন্যাৰ মনৰ শক্তিক বুজিব নোৱাৰি এক গতানুগতিক মনোভাৱ গ্রহণ কৰিছিল। ছাৰাই নিজৰ শাৰীৰিক দুর্বলতাক অজুহাত নকৰি সাহসেৰে আগবাঢ়িছিল। আনহাতে অর্জুনে সাময়িক মোহ আৰু মানসিক দুর্বলতাৰ বাবে নিজৰ কর্তব্যৰ পৰা আঁতৰি যাব বিচাৰিছিল। শ্রীকৃষ্ণই সেই দুর্বলতা ত্যাগ কৰি নিজৰ কর্তব্য পালন কৰিবলৈ তেওঁক উৎসাহিত কৰিছিল।

নেতিবাচক বিষয়বোৰ যদি নেতিবাচক ৰূপত আমাৰ সন্মুখত আহে তেন্তে তাক দূৰ কৰা সহজ হয়। কিন্তু নেতিবাচক বিষয়বোৰ যেতিয়া ইতিবাচক ৰূপত অর্থাৎ ছদ্মবেশত আহি আমাৰ সন্মুখত থিয় হয় তেতিয়া তাক দূৰ কৰা বৰ কঠিন হয়। যেনে — সীতাৰ ওচৰত ৰাৱণ আৰু হনুমানৰ ওচৰত কালনেমি ৰাৱণ আহিল কিন্তু কোনেও তেওঁলোকক চিনি নাপালে। কাৰণ তেওঁলোক দুয়ো সাধুৰ ছদ্মবেশত আহিছিল। অর্জুনেও যুদ্ধৰ আগমুহূর্তত পার্থিৱ জগতৰ ছদ্মবেশত আবদ্ধ হৈ আধ্যাত্মিক অর্থাৎ মনৰ দৃষ্টিক উপলব্ধি কৰিব পৰা নাছিল। তেওঁ আত্মীয়ৰ মোহত আবদ্ধ হৈ ধর্মকো পার্থিৱ দৃষ্টিত চাবলৈ ধৰিছিল। পার্থিৱ দৃষ্টিৰ বাবে অতি বিশেষ আধ্যাত্মিক দৃষ্টিত অর্জুনৰ লক্ষ্য নাছিল। অর্থাৎ তেওঁৰ লক্ষ্য ভৌতিক ক্ষেত্রখনত সীমাবদ্ধ হৈ আছিল। সেয়ে তেওঁ ভাবিছিল ঈশ্বৰে তেওঁক যুদ্ধৰ বাবে প্রবৃত্ত কৰি ৰাজ্য লাভ কৰিব বিচাৰিছে। আচলতে ঈশ্বৰে তেওঁৰ কল্যাণৰ বাবেহে যুদ্ধ কৰিবলৈ কৈছিল।

“নৈঃশব্দ্যৰ অন্তৰালত....”

৩ *পৃষ্ঠাৰ পৰা..*পুহি ৰখা নাই। মাথোঁ সময়ৰ ওচৰত এটা প্রশ্ন আজিও উত্তৰবিহীন হৈ আছে-যদি এসময়ত ইমান আপোন আছিলোঁ, তেন্তে অচিনাকি হৈ পৰিবলৈনো ইমান কম সময় কিয় লাগিল?”

ডায়েৰীখন জপাই তাই খিৰিকীৰ কাষলৈ আগবাঢ়িল। বৰষুণজাক ইতিমধ্যে শাম কাটিছিল। গছৰ পাতত জমা হৈ থকা পানীৰ টোপালবোৰ এটাৰ পিছত এটাকৈ সৰি পৰিছিল।

তাই অনুভৱ কৰিলে, সকলো হেৰুওৱাৰ পিছতো জীৱন ৰৈ নাথাকে। সময়ে মানুহক বহু কথাৰ সৈতে সহাৱস্থান কৰিবলৈ শিকায়। কিছুমান শূন্যতা পূৰণ নহয়, মাথোঁ সেই শূন্যতাক বুকুত সামৰি আগবাঢ়ি যোৱাৰ অভ্যাস গঢ় লৈ উঠে। কাৰণ, মানুহৰ জীৱনত আটাইতকৈ দীঘলীয়া বিচ্ছেদটো দূৰত্বৰ নহয়; ই হৈছে সেই আত্মিক ব্যৱধান, য'ত দুজন মানুহ একেখন আকাশৰ তলত থাকিও পৰস্পৰৰ বাবে সম্পূর্ণ অপৰিচিত হৈ পৰে।

টকাৰে এই মৃত্যুক জুখিব পৰা নাযায়...

১ *পৃষ্ঠাৰ পৰা..*শোক প্রকাশ কৰি কয়, “এই ঘটনা অতি মর্মান্তিক। টকাৰে এই মৃত্যুক জুখিব পৰা নাযায়।” মুখ্যমন্ত্রীয়ে দুর্ঘটনাত নিহতসকলৰ পৰিয়াল তথা নিকট আত্মীয়লৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাৰ ক্ষতিপূৰণো ঘোষণা কৰে। আনহাতে মুখ্যমন্ত্রীয়ে জনোৱা মতে দুর্যোগ ব্যৱস্থাপনা আইনৰ অধীনত ৰাজ্যিক দুর্যোগ সঁহাৰি পুঁজিৰ পৰা ২ লাখকৈ টকা মৃতকৰ পৰিয়াললৈ আগবঢ়োৱা হ'ব। প্রধানমন্ত্রীৰ সাহায্য পুঁজিৰ পৰাও ২ লাখকৈ টকা দিব। মুখ্যমন্ত্রীয়ে লগতে কয় যে দুর্ঘটনাত আহত ১০ গৰাকী লোকৰ অৱস্থা বর্তমান সুস্থিৰ। অৱশ্যে এতিয়াও ৬ গৰাকী লোক আইচিইউত আছে বুলি তেওঁ জনায়। মুখ্যমন্ত্রীয়ে কয়, “দুর্ঘটনাত নিহতসকলৰ মৰণোত্তৰ পৰীক্ষাৰ পিছত তেওঁলোকৰ ঘৰে ঘৰে অসম চৰকাৰৰ মন্ত্রীসকল যাব। শেষকৃত্য সম্পন্ন হোৱাৰ পিছত ময়ো নিহতসকলৰ ঘৰলৈ যাম।”

দুর্ঘটনা সন্দর্ভত মুখ্যমন্ত্রীয়ে কঠোৰ হোৱাৰ ইংগিত দি কয়, “দুর্ঘটনা ৰোধ কৰিবলৈ যান-বাহন আৰক্ষী কঠোৰ হ'ব লাগিব। এইক্ষেত্রত ৰাইজে আমাক বেয়া পালে নহ'ব। আমি কঠোৰ হ'লে বিৰোধী আৰু বিভিন্ন পক্ষই সমালোচনা কৰে। ৰাইজে প্রতিবাদ কৰে। চৰকাৰে যি সিদ্ধান্ত লয় ৰাইজৰ ভালৰ বাবে লয়। যান-বাহন আৰক্ষীক আপোনালোকে সহযোগ কৰক।”

মুখ্যমন্ত্রীয়ে লগতে কয়, “ট্রেভেলাৰৰ চালকজনৰ মৃতদেহ ভালদৰে মৰণোত্তৰ পৰীক্ষা কৰিব লাগিব। গাড়ী চলাই থাকোঁতে তেওঁৰ ষ্ট্রোক হ'ব পাৰে। দুর্ঘটনাৰ ফুটেজ আৰক্ষী অধীক্ষকে মোক দেখুৱাইছে। দুর্ঘটনাটো বিভিন্ন কাৰণত হ'ব পাৰে। তদন্তৰ সময়ত এই কথাবোৰ স্পষ্ট হ'ব।”

আনহাতে, এই শোকাৱহ দুর্ঘটনাটোত প্রাণ হেৰুওৱাসকলৰ প্রতি শ্রদ্ধা জনাই আজি সমগ্র বোকাখাত অঞ্চলৰ দোকান-পোহাৰ বন্ধ ৰখা হয়। ইফালে গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। দুর্ঘটনা নিহত লোকসকলৰ মৰণোত্তৰ পৰীক্ষা চলি থকাৰ লগতে এটা এটাকৈ মৃতদেহ পৰিয়ালৰ লোকক হস্তান্তৰ কৰা হৈছে। মুখ্যমন্ত্রীয়ে জনোৱা মতে প্রশাসনৰ তৰফৰ পৰা মৃতদেহবোৰ ঘৰলৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হৈছে। যোৰহাট জিলাৰ পৰা ১৩খন আৰু গোলাঘাট জিলাৰ ১০খন এম্বুলেন্সত মৃতদেহবোৰ ঘৰলৈ পঠিওৱাৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।

মৰণোত্তৰ পৰীক্ষাৰ সকলো দিশ তদাৰক কৰি মন্ত্রী অতুল বৰাই কয়, “যোৰহাট চিকিৎসা মহাবিদ্যালয়ত ৩ জনৰ মৃত্যু হৈছে। কালি মই যোৰহাট চিকিৎসা মহাবিদ্যালয়ত গৈছিলোঁ আৰু মই থকা অৱস্থাত এগৰাকীৰ মৃত্যু হয়। শুক্রবাৰে মৃত্যু হোৱা সকলৰ মৰণোত্তৰ পৰীক্ষা চলি আছে। মুঠ ২৬ গৰাকীৰ মৃত্যু হৈছে তাৰেই ১৪ গৰাকী মহিলা আৰু ১১জন পুৰুষ। তাৰ মাজত এটি শিশু আছে। এই দুর্ঘটনা হোৱাৰ পাছত মই ঘটনাস্থলীত উপস্থিত হৈছিলোঁ। তাত যেনেধৰণৰ পৰিস্থিতি দেখিছোঁ সেয়া বর্ণনা কৰিব নোৱাৰি। ৰাজ্যৰ বিভিন্ন প্রান্তৰ পৰা চিকিৎসকৰ দল যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ আহি আঘাতপ্রাপ্ত সকলক চিকিৎসা প্রদান কৰিছে বুলি জানিব পৰিছোঁ।”

তেওঁ লগতে কয়, “এই দুর্ঘটনা সংঘটিত কৰা চালকে কেনেকৈ দুর্ঘটনা সংঘটিত কৰিছে এই সম্পর্কে তদন্ত কৰা হ'ব। আনহাতে কঁহৰা চিকিৎসালয়ত যাৱতীয় ব্যৱস্থা আছে কিন্তু চিকিৎসকৰ সংখ্যা কম বুলি জানিব পৰিছোঁ। এই বিষয়ে মুখ্যমন্ত্রী আৰু স্বাস্থ্য মন্ত্রীৰ সৈতে আলোচনা কৰা হ'ব। স্বাস্থ্য মন্ত্রীৰ সৈতে পূর্বে হোৱা আলোচনাত কাজিৰঙা পৰা বোকাখাতৰ ভিতৰত এখন উন্নতমানৰ চিকিৎসালয় স্থাপন কৰা হ'ব বুলি অৱগত কৰিছিল।”

ইতিমধ্যে দুর্ঘটনাত নিহতসকলৰ প্রায়বোৰৰ পৰিচয় পোৱা গৈছে। প্রশাসনে জনোৱা মতে দুর্ঘটনাত নিহতসকল হৈছে- বেবী কর্মকাৰ (ৰঙাজান), দর্পণা মাঝি (ৰঙাজান), জ্যোতি মাঝি (ৰঙাজান, গোলাঘাট), পূর্ণিমা গোৱালা (ৰঙাজান, গোলাঘাট), অনুৰাগ গোৱালা (ৰঙাজান, গোলাঘাট), ফাৰজানা য